**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-06-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন কাইলৈ আৰম্ভ হ'ব। এই অধিবেশনত নৱনিৰ্বাচিত সদস্যসকলে শপতগ্ৰহণ কৰিব। অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰা বি জে পিৰ জ্যেষ্ঠ সাংসদ ভত্ৰুহৰি মহতাবে লোকসভাৰ নৱনিৰ্বাচিত সাংসদসকলক শপতবাক্য পাঠ কৰোৱাব। লোকসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত হ'ব। আনহাতে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২৭ জুনত লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাজ্যসভাৰ অধিবেশন ২৭ জুনত আৰম্ভ হ'ব। ৩ জুলাইত সংসদৰ অধিবেশনৰ সামৰণি পৰিব।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে কাইলৈ আৰম্ভ হ'বলগীয়া অষ্টাদশ লোকসভাৰ প্ৰথম অধিৱেশনৰ প্ৰাক্‌ক্ষণত আজি নিশা চাৰে ৯ বজাৰ পৰা ১০ বজালৈ Issues Before Parliament আৰু Sansad Ke Samaksh Mudde শীৰ্ষক বিশেষ আলোচনা প্ৰচাৰ কৰিব। Issues Before Parliament শীৰ্ষক আলোচনালানি আকাশবাণীৰ ৰেইনবো আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। আনহাতে, Sansad Ke Samaksh Mudde আলোচনালানি আকাশবাণী গোল্ড আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। এই আলোচনা নিউজ অন এ আই আৰ ডট কম আৰু আমাৰ ইউ টিউব চেনেল নিউজ অন এ আই আৰ অফিচিয়েল যোগেও প্ৰচাৰ কৰা হ'ব।

ooooo

অম্বুবাচী মেলা উপলক্ষে শক্তিপীঠ কামাখ্যা ধামত দেশী-বিদেশী ভক্তৰ ভিৰ অব্যাহত আছে। অম্বুবাচী মেলাৰ আজি দ্বিতীয় দিনা বিভিন্ন বেশ-ভূষাৰ সাধু, সন্নাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। কামাখ্যা মন্দিৰৰ দলৈ কবিন্দ প্ৰসাদ শৰ্মাই সংবাদ মাধ্যমক জনোৱা অনুসৰি কালিৰ দিনটোত ১ লাখৰ পৰা ডেৰ লাখ ভক্তৰ সমাগম হয়। আজি বন্ধৰ বাৰ হোৱা বাবে ভক্তৰ সংখ্যা তুলনামূলকভাৱে বৃদ্ধি হোৱা বুলি তেওঁ জানিবলৈ দিয়ে। অম্বুবাচী মেলা পৰিচালনা সমিতি আৰু আৰক্ষী প্ৰশাসনে বান্ধি দিয়া নীতি-নিয়মসমূহ সকলোকে মানি চলিবলৈ তেওঁ আহ্বান জনায়। উল্লেখযোগ্য যে ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। কামাখ্যা মন্দিৰ পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে অহা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা ৰখা হোৱা নাই। একেদৰে ২৬ আৰু ২৭ জুনত বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব। অম্বুবাচী মেলাৰ বাবে প্ৰশাসনে পৰহি মাজ নিশালৈ গাড়ী-মটৰ চলাচলত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। যান বাহন শাখাৰ উপায়ুক্তই জনোৱা মতে কেইবাটাও পথত যানবাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তীৰ্থযাত্ৰী, ভক্ত, দিব্যাংগসকলৰ সুৰক্ষিত যাতায়াত নিশ্চিত কৰাৰ লগতে জৰুৰীকালীন সেৱাৰে জড়িত যান-বাহনৰ চলাচল সুচল কৰাৰ বাবে এই বাধা আৰোপ কৰা হৈছে। অম্বুবাচী মেলাৰ সময়ছোৱাত নামনিৰ পৰা কামাখ্যা মন্দিৰলৈ উঠি যোৱা পথছোৱাত কোনো বাহন চলাচল কৰিব নোৱাৰিব। ইপিনে, ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটাকৈ আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসেৱী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিছে। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ইপিনে,

কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে।

0000000

সদৌ অসম ৰবিদাস সন্মিলন, গোলাঘাট জিলা সমিতিৰ উদ্যোগত তথা অখিল ভাৰতীয় ৰবিদাসীয় ধৰ্ম সংগঠনৰ সহযোগত আজি নুমলীগড়ত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৰবিদাস সম্প্ৰদায়ৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনা অনুষ্ঠানত কেবিনেট মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাই মন্ত্ৰী শ্ৰী বৰাই চাহ জনগোষ্ঠীৰ লোকসকলে সন্মুখীন হৈ অহা বিভিন্ন সমস্যা সমাধানৰ বাবে চাহ জনগোষ্ঠীয় সংগঠনসমূহে গ্ৰহণ কৰা পদক্ষেপক প্ৰশংসা কৰে।

0000000

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি পুৱা কিংষ্টনত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ খেলত আফগানিস্তানে অষ্ট্ৰেলিয়াক ২১ ৰাণত পৰাস্ত কৰে। খেলখনত আফগানিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১৪৮ ৰাণ কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১৯ অ'ভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰাণহে কৰিবলৈ সমৰ্থ হয়। আফগানিস্তানৰ হৈ গুলবাদিন নঈবে চাৰিটা গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। গুলবাদিনক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়। অষ্ট্ৰেলিয়াই কাইলৈ ভাৰতৰ বিৰুদ্ধে ছুপাৰ এইট পৰ্যায়ৰ অন্তিমখন মেচত অৱতীৰ্ণ হ'ব। ইপিনে, বাৰবাডোছত আজি হ'বলগীয়া আন এখন খেলত ইংলেণ্ডে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

0000000

তিনিচুকীয়া জিলাৰ কাকপথাৰৰ কুলিবিল গাঁৱৰ শৰৎ মৰাণে ইন্দো-বাংলাদেশ হেণ্ডবল চেম্পিয়নশ্বিপৰ বাবে ভাৰতীয় জাতীয় দলত স্থান লাভ কৰিছে। বিগত ১০ বছৰ ধৰি হেণ্ড বল খেলি অহা মৰানে ভাৰতীয় দলত স্থান লাভ কৰাত পৰিয়াল আৰু গাঁওবাসীয়ে আনন্দ প্ৰকাশ কৰিছে। ইপিনে, আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনৰ বাবে ঘোষণা কৰা ভাৰতীয় মহিলা হেণ্ডবল দলত ধেমাজি জিলাৰ মৃদুস্মিতা লাগাছুৱে স্থান লাভ কৰিছে। লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী লাগাছুৱে জাতীয় দলত স্থান লাভ কৰাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে খেলুৱৈগৰাকীক অভিনন্দন জনায়।

0000000

ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে বাক্সা জিলাৰ ভাৰতীয় জনতা পাৰ্টিৰ জালাহস্থিত মুখ্য কাৰ্যালয়ত ভাৰতীয় জনতা পাৰ্টি ককলাবাৰী মণ্ডল সমিতিৰ উদ্যোগত ড০ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ পূৰ্ণ তিথি উপলক্ষে আজি বলিদান দিৱস পালন কৰা হয়। অনুষ্ঠানত দলীয় কাৰ্যকৰ্তাসকলে মহান ব্যক্তিগৰাকীৰ প্ৰতিচ্ছবিত মালাৰ্পণ, বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বলিদান দিৱসৰ সৈতে সংগতি ৰাখি ককলাবাৰী মণ্ডল সমিতিৰ সভাপতি দিনেশ বসুৰ সঞ্চালনাত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত দলীয় বিষয়ববীয়াসকলৰ লগতে আমন্ত্ৰিত অতিথিসকলে শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে আলোচনা কৰে। কেন্দ্ৰীয় বন্দৰ, জাহাজ, জল পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় জনতা পাৰ্টিৰ নগাঁও জিলাৰ উদ্যোগত আয়োজিত বলিদান দিৱস উপলক্ষে জিলাখনৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। 0000000

বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত ক্ষেত্ৰ সঞ্চালক বিহীনভাৱে পৰিচালিত হৈ থকাত উদ্যান কৰ্তৃপক্ষই অসুবিধাৰ সন্মুখীন হৈছে বুলি সচেতন মহলৰ লগতে মানাহ জীপ ছাফাৰীৰ সভাপতি বুবুল নাথে প্ৰকাশ কৰিছে। মানাহ জীপ ছাফাৰী সন্থাই অসম চৰকাৰ আৰু বিটিচি চৰকাৰক তাৎক্ষণিকভাৱে ৰাষ্ট্ৰীয় উদ্যানখনত ক্ষেত্ৰ সঞ্চালকৰ পদ পূৰণ কৰিবলৈ আহ্বান জনাইছে। 0000000

**সমাপ্ত**